জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২২১/২০২১**

# গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক হাস্পতালত নিৰ্মাণ কৰা ১০ খন বিচনাযুক্ত আই চি ইউ ৰাইজৰ সেৱাত মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত নিৰ্মাণ কৰা ১০ খন বিচনাযুক্ত আইচিইউ জনসাধাৰণৰ সেৱাত আনুষ্ঠানিকভাৱে উৎসৰ্গিত কৰে। উল্লেখ্য যে নৱনিৰ্মিত ১০ খন বিচনাযুক্ত এই আইচিইউ ৱাৰ্ডে জিলাখনত ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে যুজাৰ দিশত এক শক্তিশালী আন্তঃগাঁথনি প্ৰদান কৰিব।

অত্যাধুনিক আই চি ইউ মুকলি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইয়াৰ জৰিয়তে গোলাঘাট জিলাৰ জনসাধাৰণ বিশেষভাৱে উপকৃত হ'ব। তদুপৰি, আই চিইউ ৱাৰ্ডৰ কাষতে স্থাপন কৰা অক্সিজেন প্লেণ্টে জটিল সময়ত ৰোগীসকলৰ চিকিৎসা প্ৰদানৰ দিশতো বিশেষ সকাহ প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে এই আই চি ইউ ইউনিট ক্ষিপ্ৰতাৰে স্থপন কৰাৰ দিশত লোক নিৰ্মাণ (গৃহ) আৰু স্বাস্থ্য বিভাগে যুটীয়াভাৱে লোৱা পদক্ষেপৰো শলাগ লয়।

আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিত্তমন্ত্ৰী অজন্তা নেগও, কৃষিমন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাচা, উচ্চপদস্থ বিষয়াৰ লগতে গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৮/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in